# সাহিত্য সমালোচনা

**ধ্বনি ঃ** বাচ্যাৰ্থক অতিক্ৰম কৰি তাতোকৈও অধিক চাৰুতা প্ৰকাশক যি ব্যংগাৰ্থ প্ৰতীয়মান হয়, তাকে কাব্যৰ ধ্বনি বোলা হয়। সহজভাৱে ক'বলৈ হ'লে, য'ত শব্দ বা অৰ্থই আন এটা ধ্বনি অৰ্থৰ কাৰণে নিজ অৰ্থক তল পেলায়, সেই ব্যঞ্জিত কাব্যবিশেষকে পণ্ডিতসকলে ধ্বনি বুলি কয়। ধ্বনিৰ পোনপটীয়া সম্পৰ্ক শব্দৰ ব্যঞ্জনা শক্তিৰ লগত। তলত এটি শ্লোকৰ জৰিয়তে ধ্বনিৰ উদাহৰণ দাঙি ধৰা হ'ল—

"এৱং বাদিনি দেৱৰ্ষৌ পিতুৰগ্ৰ অধোমুখী।

লীলাকমলপত্ৰাণি গণয়াসাস পাৰ্বতী ।। "

অৰ্থাৎ, — "নাৰদে এইদৰে কৈ থাকোঁতে পিতৃৰ সমুখত পাৰ্বতীয়ে তলমূৰকৈ হাতৰ পদুমটোৰ পাহিবোৰ গণিবলৈ ধৰিলে।"

ওপৰৰ শ্লোকফাঁকিত পাৰ্বতীয়ে তলমূৰকৈ পদুমৰ পাহিবোৰ গণিবলৈ লোৱা এই বাচ্যাৰ্থৰ মাধুৰ্য থাকিলেও প্ৰকৃততে ইয়াৰ আঁৰত আন এটা অৰ্থ লুকাই আছে। সেয়া হ'ল প্ৰিয়জনৰ লগত বিবাহৰ প্ৰস্তাৱত বিবাহযোগ্য কন্যাৰ মৌসনা লাজৰ আভৰণ। কাৰণ পাৰ্বতীয়ে তপস্যাৰদ্বাৰা শিৱৰ মন জয় কৰাত শিৱই নাৰদক হিমালয়ৰ ওচৰলৈ পঠিয়ালে। নাৰদে বিবাহৰ প্ৰস্তাৱ দিওঁতে পাৰ্বতী এনেদৰে অধোমুখী হৈ ওচৰতে আছিল আৰু হাতত থকা পদুমৰ পাহিবোৰ এনেয়ে গণি আছিল। মনৰ আনন্দমিহলি লাজ ঢাকিবলৈহে প্ৰকৃততে পাৰ্বতীয়ে কিবা এটা কাম কৰাৰ দৰে পদুমৰ পাহিবোৰ গণিবলৈ চেষ্টা কৰিছে। কিন্তু এই সকলোখিনি কথা শ্লোকটোত নাই। অথচ পিছৰ এই প্ৰতীয়মান অৰ্থটো বাচ্যাৰ্থতকৈ মধুৰ। কবিৰ চাতুৰ্যই ৰসিকজনৰ মনলৈ এই অৰ্থটো আনি দিছে। এনেদৰে বোধহোৱা মধুৰ অৰ্থই হৈছে কাব্যৰ ধ্বনি।

ধ্বনিবাদৰ প্ৰৱৰ্তক হ'ল আনন্দবৰ্ধন। তেওঁ 'ধ্বন্যালোক' গ্ৰন্থত ধ্বনিকে কাব্যৰ আত্মা বুলিছে।

ধ্বনিবাদী আচাৰ্যসকলৰ মতে কাব্য দুবিধ—

(ক) ধ্বনি-কাব্য

(খ) গুণীভূতব্যংগ

**(ক) ধ্বনি-কাব্য ঃ** যি কাব্যত বাচ্যাৰ্থতকৈ ব্যংগৰূপ অৰ্থ অধিক সুন্দৰ বা চমৎকাৰী হয় তাকে ধ্বনি-কাব্য বোলা হয়। ইয়াত ব্যংগাৰ্থ ইমানেই সুন্দৰ আৰু মনোগ্ৰাহী হয় যে বাচ্যাৰ্থটো উকা উকা যেন বোধ হয়। ধ্বনি-

কাব্যক উত্তম কাব্য বুলি কোৱা হৈছে। “এবং বাদিনী দেৱৰ্যৌ...” এই শ্লোকটোত বাচ্যাৰ্থ অপ্ৰধান হৈ ধ্বনিগত অৰ্থটো বেছি সুন্দৰ হৈ উঠিছে। এই কাব্য উত্তম শাৰীৰ কাব্য।

**(খ) গুণীভূতব্যংগ কাব্য ঃ** য'ত ধ্বন্যাৰ্থৰ প্ৰাধান্য নাই সেয়ে গুণীভূত ব্যংগ কাব্য। এনে কাব্যত ব্যংগাৰ্থটোৱে বাচ্যাৰ্থটোক সুন্দৰ কৰি তোলে। ইয়াত বাচ্যাৰ্থ উকা যেন নালাগে, বাচ্যাৰ্থৰ গৰ্ভত ব্যংগাৰ্থ লুকাই থাকে। প্ৰাচীন কাব্য মীমাংসকসকলে এনে কাব্যৰ স্থান ধ্বনি-কাব্যৰ তলত ৰাখিছে। উদাহৰণস্বৰূপে—

“সদায় চকুৰে দেখা গছপাতটিও

ছবি হ'লে ভাল হৈ পৰে

সদায় কাণেৰে শুনা সৰু কথাটিও

গীত হ'লে প্ৰাণ টানি ধৰে।” (দুৰ্গেশ্বৰ শৰ্মা)

—ইয়াত সাধাৰণ বস্তুটোও যে কলাৰ স্পৰ্শত অতিৰমণীয় হৈ পৰে, এই অৰ্থ বৰ্ণিত হৈছে। ‘অপ্ৰস্তুত প্ৰশংসা’ অলংকাৰৰ দ্বাৰা এই বাচ্যাৰ্থটিকে প্ৰকাশ কৰা হৈছে। বাচ্যাৰ্থটি যাতে শ্ৰোতাৰ মনত ৰসাল ভাৱে প্ৰতিভাত হয় তাৰ কাৰণে কবিয়ে ‘প্ৰাণ টানি ধৰে’— এই কথাটো ব্যৱহাৰ কৰিছে। এই কথাটোৱে বিদগ্ধ ৰসিকৰ মনত নৱ যৌৱন অৱস্থা প্ৰাপ্ত, ডেকা-গাভৰুৰ পৰস্পৰ অনুৰাগ ব্যঞ্জিত কৰি বাচ্যাৰ্থটোক মনোহৰ কৰি তুলিছে।

### ধ্বনিৰ প্ৰকাৰ ঃ

ধ্বনি মূলতঃ দুই প্ৰকাৰৰ—(ক) অভিধামূলক বা বিৱক্ষিতান্যপৰবাচ্য ধ্বনি

(খ) লক্ষণামূলক বা অবিৱক্ষিতবাচ্য ধ্বনি।

**(ক) অভিধামূলক বা বিৱক্ষিতান্যপৰবাচ্য ধ্বনি ঃ** যি ধ্বনিৰ মূল অভিধা অৰ্থাৎ বাচ্যাৰ্থৰ লগত সম্বন্ধযুক্ত তাক অভিধামূলক বা বিৱক্ষিতান্যপৰবাচ্য ধ্বনি বোলা হয়। ইয়াত বাচ্যাৰ্থ বাঞ্চনীয় হৈ থাকি ব্যংগাৰ্থৰ প্ৰতীতি জন্মায়। ইয়াত বাচ্যাৰ্থ অন্য অৰ্থলৈ সংক্ৰমিত নহয় বা একেবাৰে তল পৰি নাযায়। বাচ্যাৰ্থই নিজৰ অস্তিত্ব বৰ্তাই ৰাখি ব্যংগাৰ্থৰ প্ৰতীতি জন্মায়। ওপৰৰ “এবং বাদিনী দেৱৰ্যৌ...” এই শ্লোকটো অভিধামূলক ধ্বনিৰ উদাহৰণ। অভিধামূলক বা বিৱক্ষিতান্যপৰবাচ্য ধ্বনিক ‘অসংলক্ষ্যক্ৰমব্যংগ্য’ আৰু ‘সংলক্ষ্যক্ৰম ব্যংগ’ সাধাৰণতে এই দুটা ভাগত বিভক্ত কৰিব পাৰি।

**(খ) লক্ষণামূলক বা অবিৱক্ষিতবাচ্য ধ্বনি ঃ** যি ধ্বনিৰ লক্ষণাক আশ্ৰয় কৰি প্ৰতীতি হয় তাক লক্ষণামূলক বা অবিৱক্ষিতবাচ্য ধ্বনি বোলা হয়। অবিৱক্ষিত শব্দৰ অৰ্থ হ'ল, কোৱাৰ ইচ্ছা নথকা। এই ধ্বনিত

বাচ্যাৰ্থৰ পৰা বক্তাৰ অভিপ্ৰায় ওলাই নপৰে। প্ৰকৃততে ইয়াত বাচ্যাৰ্থ বাধিত বা অনুপযুক্ত হয়, সেয়েহে অৰ্থান্তৰ গ্ৰহণ কৰি ব্যংগাৰ্থৰ বোধ জন্মায়। উদাহৰণস্বৰূপে,

"কেলেই লাগিছে সেন্দুৰীয়া গাল
ফৰিং প্ৰেমিকৰ জুই।
কোৰাভাতুৰীয়া ওঁঠৰ তলত
ফেটী সাপ থাকে শুই।।"

— ইয়াত জুই' আৰু 'ফেটী সাপ' শব্দই নিজৰ বাচ্যাৰ্থ এৰি কষ্টদায়ক বা ভয়ংকৰৰূপ অৰ্থক লক্ষ্য কৰিছে। ইয়াৰ জৰিয়তে সেই গাল আৰু ওঁঠৰ সংস্ৰৱত পুৰি বা বিহ লাগি মৃত্যু পৰ্যন্ত ঘটিব পাৰে, এই অৰ্থ ধ্বনিত কৰিছে। লক্ষণামূলক বা অবিৱক্ষিতবাচ্য ধ্বনিক 'অৰ্থান্তৰসংক্ৰমিত বাচ্য' আৰু 'অত্যন্ত তিৰষ্কৃত বাচ্য' এই দুটা ভাগত ভগাব পাৰি।

ধ্বনিক আকৌ ধ্বনিত অৰ্থৰ বৈশিষ্ট্য অনুসৰি এনেদৰে ভাগ কৰিব পাৰি—

(ক) বস্তু ধ্বনি

(খ) অলংকাৰ ধ্বনি

(গ) ৰস ধ্বনি

**(ক) বস্তু ধ্বনি ঃ** যেতিয়া কোনো বস্তু অৰ্থাৎ মনোহৰ অৰ্থৰ মাত্ৰ প্ৰতীতি হয়, তাকে বস্তু ধ্বনি বোলা হয়। উদাহৰণস্বৰূপে —

পৰ্বতৰো শিল ওফৰাই
আগবাঢ়ি যোৱা
জীৱন নিৰ্মল তেহে হয়
শিলত ঘঁহোৱা।

ইয়াত 'জীৱন' শব্দটোৱে পৰ্বতেদি বাগৰি অহা পানীৰ প্ৰতীতি জন্মাইছে। পৰ্বতৰ শিল ভেদি পানী নিৰ্মল হয়। বিপদ-বিঘিনি আঁতৰাব পাৰিলেই জীৱন নিৰ্মল দোষহীন হয়। ইয়াত এই অৰ্থই ধ্বনিত হৈছে।

**(খ) অলংকাৰ ধ্বনি ঃ** প্ৰতীয়মান অৰ্থ যেতিয়া এটা অলংকাৰত পৰ্যবসিত হয়, তেতিয়া তাক অলংকাৰ ধ্বনি বোলা হয়। ইয়াত ধ্বনিগত অৰ্থই এক অলংকাৰ হিচাপে চমৎকাৰিতা প্ৰদান কৰে। উদাহৰণস্বৰূপে,

(১) কোনোবা জোনাক নিশা

জুৰিৰ কাষত তুমি আৰু মই

বুকুত মৰুৰ তৃষা

— ইয়াত 'মৰুৰ তৃষা'ৰ বাচ্যাৰ্থই জুৰিৰ কাষত থাকিও পিয়াহ নপলোৱা আৰু প্ৰিয়াৰ সান্নিধ্যত মিলন সুখৰ হেঁপাহ নপলোৱা আপাত বিৰোধৰ আভাস দিছে। গতিকে বিৰোধাভাস অলংকাৰ ধ্বনিত হৈছে।

(২) "শ্ৰীৰাম লক্ষ্মণ দুই চন্দ্ৰ-সূৰ্য্য ভৈলা।

সীতা সন্ধ্যা এৰিয়া বহুত দূৰে গৈলা।।

অন্ধকাৰ ৰাৱণ চাপিল আসি কোল।

সীতাৰ ৰূপক দেখি ভৈ গৈলা বিভোল।।" (ৰামায়ণ)

— ইয়াত সূৰ্য আৰু চন্দ্ৰ উদয় নহ'লে যি সন্ধ্যাকাল অন্ধকাৰাচ্ছন্ন হয় তাৰ কাৰণ—'অন্ধকাৰে সন্ধ্যাৰ ৰূপত মুগ্ধ হৈ যেন তাৰ ৰক্ষক, চন্দ্ৰ-সূৰ্যৰ অনুপস্থিতিৰ ছেগ লৈ সন্ধ্যাৰ ওচৰ চাপে গৈ'— এই উৎপ্ৰেক্ষা অলংকাৰ ধ্বনিত হৈছে।

**(গ) ৰস ধ্বনি ঃ** ধ্বনিবাদী আচাৰ্যসকলে ৰসকো এবিধ ধ্বনি হিচাপে ঠাৱৰ কৰিছে। এই ৰসৰ ধ্বনি এটা শ্লোকতো হ'ব পাৰে বা এখন পূৰ্ণকাব্যৰ নিৰন্তৰ ব্যাপী অখণ্ডতাৰ মাজতো হ'ব পাৰে। বস্তু ধ্বনি আৰু অলংকাৰ ধ্বনি শেহত গৈ ৰস-ধ্বনিতে বিলীন হয়। বস্তু আৰু অলংকাৰে ৰসৰহে পোষকতা কৰে। এইকাৰণেই বিশ্বনাথ আদি আচাৰ্যই ধ্বনিক কাব্যৰ আত্মা নুবুলি ৰসক কাব্যৰ আত্মা বুলিছে।

**ৰসধ্বনিৰ উদাহৰণ—**

"ঘন ঘন মুৰুচি পৰয় বৰনাৰী।

ফোকাৰে শ্বাস নয়নে ঝুৰে বাৰি।।

কৃষ্ণচৰণ চিন্তিয়ে চিত্ত লাই।

ঘন যদুনাথ চিন্তয় পুনু মাই।।

পৰিক নিৰাশে হ্রাস ভেলি দেহ।।

শংকৰ কহ ৰমণীক নৱণেহ।।" (ৰুক্মিণীহৰণ নাট)

— ইয়াত ঘন ঘন মুৰ্চ্ছা আদি দেহৰ অৱস্থা (অনুভাৱ), চিন্তাধ্যান আদি মনৰ অৱস্থা (সঞ্চাৰীভাৱ), শীকৃষ্ণ (আলম্বন বিভাৱ) আৰু তেওঁক পোৱাৰ নৈৰাশ্যজনক হেতু আদি উদ্দীপন বিভাৱ;— এই বিলাকৰ দ্বাৰা নৱণেহ— পূৰ্বৰাগৰূপ বিপ্ৰলম্ভ শৃংগাৰ ৰস ধ্বনিত বা অভিব্যঞ্জিত হৈছে।